# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনৰ সন্মিলন কক্ষত শিক্ষা বিভাগৰ অধীনত ৪১ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদানৰ উদ্দেশ্যে নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৪১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৪ মাৰ্চ পৰ্যন্ত ৰাজ্য চৰকাৰে ৯৭ হাজাৰ ৪৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২১ খন জিলাৰ প্ৰায় ৮ লাখ ৪০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৬১টা ৰাজহ চক্ৰৰ এহেজাৰ ৭০৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ২৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। কালি ধেমাজি জিলাত বানৰ ফলত পুনৰ এজন লোকে প্ৰাণ হেৰুৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯১ লৈ বৃদ্ধি হৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২২১টা আশ্ৰয় শিবিৰত ৩৬ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ্ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকসকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ গুৱাহাটী কাৰ্যালয়ে সদৰি কৰা তথ্য অনুযায়ী পৰৱৰ্তী কেইঘণ্টামানত ৰাজ্যখনৰ চৰাইদেউ, ধেমাজি, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, লখিমপুৰ, মাজুলী, শিৱসাগৰ, তিনিচুকীয়া, চিৰাং, বৰপেটা, বঙাইগাঁও, বিশ্বনাথ, দৰং, ধুবুৰী, ডিমাহাচাও, গোৱালপাৰা, কোকৰাঝাৰ, কামৰূপ আৰু কামৰূপ মহানগৰকে ধৰি ভালেকেইখন জিলাত মজলীয়া বৰষুণৰ লগতে ধুমুহা অহাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সাৱধান হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰা হৈছে।

ইফালে, বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০০০

বাক্সা জিলাৰ বাৰাপেটা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আজি দিনজোৱা কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ খাৰিজা বিজনী শতদল শাখা সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন আৰু সভ্য সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত সাহিত্য সভাৰ পতাকা উত্তোলনৰ পাছতে ৩ লাখ ৫০ হাজাৰ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয়টো বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে উদ্বোধন কৰে। সভাত অংশগ্ৰহণ কৰি ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে নৱনিৰ্মিত কাৰ্যালয়টোৰ উন্নীতকৰণৰ বাবে অতিৰিক্ত ২ লাখ টকাৰ অনুদানৰ ঘোষণা কৰে।

০০০০০০০

হোজাইৰ সাগৰবস্তিত থকা ৰবীন্দ্র নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নৱনির্মিত ভৱনৰ চৌহদত কবি গুৰুগৰাকীৰ এটা প্রতিমূর্তি উন্মোচন কৰা হয়। প্রতিমূর্তিটো উন্মোচন কৰি হোজাই সমষ্টিৰ প্রাক্তন বিধায়ক তথা সদৌ অসম ভাষিক সংখ্যালঘু মর্চাৰ অধ্যক্ষ শিলাদিত্য দেৱে ৰবীন্দ্র নাথ ঠাকুৰৰ বহুমুখী ব্যক্তিত্বৰ বিষয়ে স্মৰণ কৰে। অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ উপাচার্যসহ কেইবাগৰাকীও অধ্যাপক আৰু হোজাই অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

কংগ্রেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে লোকসভাত দলৰ উপ নেতা, মুখ্য হুইপ আৰু অন্য দুগৰাকী হুইপ নিযুক্তি সন্দৰ্ভত নিম্ন সদনৰ অধ্যক্ষলৈ এখন পত্র প্রেৰণ কৰিছে। সেই অনুসৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈক পুনৰ লোকসভাত কংগ্রেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, কোদিকুন্নিল সুৰেশক মুখ্য হুইপ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০

অসম আৰক্ষীৰ এজন অৱসৰপ্রাপ্ত মহাপৰিদর্শকৰ বেংক একাউণ্টৰ ধন জালিয়াতিৰে আত্মসাৎ কৰাৰ গোচৰত আজি দিছপুৰ আৰক্ষীয়ে ষ্টেট বেংক অব্ ইণ্ডিয়াৰ বৰবাৰী শাখাৰ প্রাক্তন শাখা প্রৱন্ধক গুলেনুৰ হুছেইনক আটক কৰিছে। একেটা গোচৰতে আৰক্ষীয়ে ত্রিদীপ কলিতা নামৰ আন এজন লোককো আটক কৰে। উল্লেখযোগ্য যে অৱসৰপ্রাপ্ত উপ-মহাপৰিদর্শক ভৱধৰ দত্তৰ বৰবাৰী শাখাত থকা বেংক একাউণ্টৰ পৰা ২৬ লাখ টকা গোপনে বিভিন্ন তাৰিখত অন্যান্য বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে। এই সম্পর্কে অৱগত হৈ শ্রী দত্তই দিয়া এজাহাৰৰ ভিত্তিত দিছপুৰ থানাত এটা গোচৰ পঞ্জীয়ন কৰা হয়। এই গোচৰৰ তদন্তত বৰবাৰী শাখাৰ প্রাক্তন শাখা প্রৱন্ধক গুলেনুৰ হুছেইনে ইণ্টাৰনেট বেংকিঙৰ সহায়ত ধন জালিয়াতি কৰাৰ তথ্য পোহৰলৈ আহে। অৱসৰপ্রাপ্ত মহা-পৰিদর্শকজনৰ বেংক একাউণ্টৰ সৈতে ফোন নাম্বাৰ সংযোগ কৰি আৰু ইউজাৰ আইডিৰ লগতে পাছৱৰ্ড সৃষ্টি কৰি বৰবাৰী শাখাৰ প্রাক্তন শাখা-প্রৱন্ধকগৰাকীয়ে জালিয়াতি কৰিছিল। অভিযুক্ত হুছেইনে একেদৰে আন বহু লোকৰ ধন আত্মসাৎ কৰাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-টুৱেণ্টি ক্রিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি হাৰাৰে স্পৰ্টছ ক্লাবত অনুষ্ঠিত হৈছে। টছত জিকি জিম্বাব'ৱেই ভাৰতক প্রথমে বেটিং কৰিবলৈ আমন্ত্রণ জনায়। বাতৰি লিখাৰ পৰলৈকে ভাৰতে ৭ অ'ভাৰত ৩ উইকেটৰ বিনিময়ত ৫০ ৰান সংগ্রহ কৰিবলৈ সমর্থ হৈছে। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে শৃংখলাত ৩-১ ফলাফলেৰে অপ্রতিৰোধ্য অগ্রগতি লাভ কৰিছে।

০০০০

**সমাপ্ত**